# উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান

(সংশোধিত - ২০১৭)

উত্তৰ গুৱাহাটী মহাবিদ্যালয়
কলেজ নগৰ
গুৱাহাটী - ৭৮১০৩১

Scanned with CamSca

## সংবিধান সংশোধনী প্ৰস্তুত সমিতি — (২০১৭)

| | | |
|---|---|---|
| **শ্ৰী পৰ্শুৰাম বৰ্মন**, উপাধ্যক্ষ | — | সভাপতি |
| **শ্ৰী প্ৰতিমা বৰুৱা**, মুৰব্বী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ | — | আহ্বায়িকা |
| **শ্ৰী মনীষা ভট্টচাৰ্য্য**, জ্যেষ্ঠা অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ | — | সদস্যা |
| **শ্ৰী অনুপম ঠাকুৰীয়া**, মুৰব্বী অধ্যাপক, অৰ্থনীতি বিজ্ঞান বিভাগ | — | সদস্য |
| **শ্ৰী ইফটিকাৰ আহমেদ**, সভাপতি, উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা(২০১৬-১৭) | — | সদস্য |
| **শ্ৰী প্ৰাঞ্জল শইকীয়া**, সাধাৰণ সম্পাদক, উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা(২০১৬-১৭) | — | সদস্য |

---

**সংশোধিত খচৰা সংবিধান ৫/৮/২০১৭ ইং তাৰিখে প্ৰস্তুত সমিতিৰ দ্বাৰা গৃহীত ।**

**( ৬/৮/২০১৭ ইং তাৰিখৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যনিৰ্বাহক সভাত গৃহীত সংশোধিত খচৰা সংবিধান ০১/১১/২০১৭ ইং তাৰিখৰ সাধাৰণ সভাত অনুমোদন কৰা হয়)**

Scanned with CamSca

# প্ৰস্তাৱনা

আমি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীয়ে আমাৰ ছাত্ৰ সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে, গণতান্ত্ৰিক ভাৰতবৰ্ষৰ উপযুক্ত নাগৰিক হিচাবে নিজকে গঢ়ি তুলিবলৈ আৱশ্যকীয় অধিকাৰ আৰু কৰ্তব্য সমূহ সন্নিবিষ্ট কৰি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এই সংবিধান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাধাৰণ সভাত বিধিবদ্ধ ভাবে গ্ৰহণ কৰিলো আৰু নিজকে প্ৰদান কৰিলো।

অনুচ্ছেদ — ১

নাম ঃ

ছাত্ৰ একতা সভাৰ নাম হ'ব "উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা"। ইংৰাজীত "North Gauhati College Students' Union."

অনুচ্ছেদ — ২

ছাত্ৰ একতা সভাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

(ক) ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক, বৌদ্ধিক, মানসিক, নৈতিক, সাংস্কৃতিক আৰু সামাজিক উন্নতিৰ প্ৰসাৰ সাধন কৰা।

(খ) বিদ্যায়তনিক আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়ৰ অধ্যয়ন, আলোচনা, সমালোচনা আদিৰ ব্যৱস্থা কৰা।

(গ) ছাত্ৰ- ছাত্ৰী সকলৰ মাজত বুদ্ধিমত্তা, নাগৰিকতাবোধ, শৃঙ্খলাবোধ, নেতৃত্ব আদি গুণৰ প্ৰসাৰ সাধন কৰা।

(ঘ) পাৰস্পৰিক সহযোগিতা আৰু বুজাপৰা, মিলা-প্ৰীতি, ভাতৃত্ববোধ, সহনশীলতা আৰু ত্যাগৰ মনোভাৱ বৃদ্ধি কৰা।

(ঙ) ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সামাজিক দায়বদ্ধতাৰ ভাৱ গঢ়ি তোলা আৰু শ্ৰমৰ মৰ্যাদা সম্পৰ্কে জ্ঞান দিয়া।



Scanned with CamSca

(চ) বিভিন্ন খেল - ধেমালি, নৃত্য-গীত, তর্ক আৰু আকস্মিক বক্তৃতা প্রতিযোগিতা, চাৰু-কলা প্রদর্শনী, বিদ্যায়তনিক আৰু সজাগতামূলক সভা-সমিতি অনুষ্ঠিত কৰা।

(ছ) সমাজসেৱাৰ কার্য্যসূচী হাতত লোৱা ।

(জ) যুৱ মহোৎসৱ আৰু অন্যান্য আন্তঃমহাবিদ্যালয় প্রতিযোগিতা সমূহত অংশ গ্রহণ কৰা।

(ঝ) ছাত্র জিৰণী কোঠা, ছাত্রী-জিৰণী কোঠা, কেন্টিন আৰু ছাত্র-ছাত্রী সকলৰ উমৈহতীয়া স্বার্থৰ লগত জড়িত অন্যান্য বিষয় সমূহ সুচাৰুৰূপে পৰিচালনাৰ ব্যৱস্থা কৰা।

(ঞ) ছাত্র একতা সভাৰ আলোচনী 'নগ'চিয়ান'ৰ নিয়মীয়া প্রকাশৰ লগতে আন আন প্রচাৰ পত্রিকাৰো প্রকাশৰ দিহা কৰা।

**অনুচ্ছেদ — ৩**

**সদস্যপদ ঃ**

(ক) উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সকলো পূর্ণকালীন অর্থাৎ দুবছৰীয়া উচ্চতৰ মাধ্যমিক আৰু তিনিবছৰীয়া স্নাতক পাঠ্যক্রমৰ নিয়মীয়া ছাত্র-ছাত্রী, উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্র একতা সভাৰ সদস্য হ'ব ।

(খ) প্রত্যেক শিক্ষাবর্ষৰ আৰম্ভনিতে সকলো সদস্যই ভর্তি মাচুল আদায় দিব লাগিব। এই মাচুলৰ পৰিমাণ ছাত্র একতা সভাৰ কার্য নির্বাহক সমিতিৰ লগত আলোচনা মর্মে মহাবিদ্যালয় কর্তৃপক্ষই নির্ধাৰণ কৰিব ।

**অনুচ্ছেদ — ৪**

**(ক) কার্যনির্বাহক সমিতিৰ গঠন ঃ**

সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, আন আন বিষয়ববীয়াৰ লগতে শ্রেণী প্রতিনিধি সকলক লৈ তলত দিয়া ধৰণে এখন কার্যনির্বাহক সমিতি গঠন কৰা হ'ব —



| | | |
|---|---|---|
| ১। | সভাপতি | ঃ ১ জন |
| ২। | উপ- সভাপতি | ঃ ১ জন |
| ৩। | সাধাৰণ সম্পাদক | ঃ ১ জন |
| ৪। | সহঃ সাধাৰণ সম্পাদক | ঃ ১ জন |
| ৫। | বহিঃ খেল বিভাগৰ সম্পাদক | ঃ ১ জন |
| ৬। | অন্তঃ খেল বিভাগৰ সম্পাদক | ঃ ১ জন |
| ৭। | সাংস্কৃতিক বিভাগৰ সম্পাদক | ঃ ১ জন |
| ৮। | তর্ক বিভাগৰ সম্পাদক | ঃ ১ জন |
| ৯। | সমাজ সেৱা বিভাগৰ সম্পাদক | ঃ ১ জন |
| ১০। | সাহিত্য বিভাগৰ সম্পাদক | ঃ ১ জন |
| ১১। | ছাত্র জিৰণী কোঠা বিভাগৰ সম্পাদক | ঃ ১ জন |
| ১২। | ছাত্রী জিৰণী কোঠা বিভাগৰ সম্পাদক | ঃ ১ জন |
| ১৩। | শ্রেণী প্রতিনিধি | ঃ কলা আৰু বিজ্ঞান শাখাৰ প্রতি শ্রেণীৰ পৰা দুজন কৈ (এজন ছাত্র আৰু এজনী ছাত্রী ) |
| ১৪। | পদেন সদস্য | ঃ ১ জন (পূর্বৰ কার্য্য নির্বাহ্কৰ সাধাৰণ সম্পাদক) |

**(খ) বিভাগীয় তত্বাৱধায়ক - তত্বাৱধায়িকা ঃ**

উপৰোক্ত পদৱী / বিষয়ববীয়া সমূহৰ ৩ — ১২ নং লৈ প্রত্যেকৰে এগৰাকীকৈ অধ্যাপক / অধ্যাপিকা তত্ত্বাৱধায়ক / তত্বাৱধায়িকা হিচাবে থাকিব। তেওঁলোকক প্রতিটো নির্বাচনৰ পাছত নৱ নির্বাচিত কার্য নির্বাহক সমিতিৰ লগত আলোচনা মর্মে আৰু সংশ্লিষ্ট অধ্যাপক অধ্যাপিকাৰ সন্মতি সাপেক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষই নিয়োগ কৰিব ।



Scanned with CamSca

অনুচ্ছেদ — ৫

যোগ্যতা আৰু নিৰ্বাচন ঃ

(ক) কাৰ্যনিৰ্বাহক সদস্যৰ নিৰ্বাচন ঃ

১. ৪ নং অনুচ্ছেদত উল্লেখিত ১-১২ নং লৈ বিষয়ববীয়া সমূহ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ নিয়মীয়া সদস্য সকলৰ দ্বাৰা নিৰ্বাচিত হ'ব। এই নিৰ্বাচন গোপন বেলটৰ দ্বাৰা প্ৰত্যক্ষ ভোটদান পদ্ধতিৰে অনুষ্ঠিত কৰা হ'ব।

২. শ্ৰেণী প্ৰতিনিধি সকলক নিজ নিজ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলে নিৰ্বাচন কৰিব ।

(খ) কাৰ্য নিৰ্বাহক সদস্যৰ যোগ্যতা ঃ

১) কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা ছাত্ৰ-ছাত্ৰী সকলৰ শ্ৰেণী সমূহত উপস্থিতি ন্যূনতম ৭৫% হ'ব লাগিব।

২) প্ৰতিদ্বন্দ্বিতা কৰিব খোজা ছাত্ৰ / ছাত্ৰী পূৰ্বৰ চূড়ান্ত পৰীক্ষাত কোনো বিষয়ত অনুত্তীৰ্ণ হৈ "একাডেমিক এৰিয়াৰ" (academic arrear) থাকিলে প্ৰাৰ্থীত্ব নাকচ হ'ব।

৩) এগৰাকী ছাত্ৰ / ছাত্ৰীয়ে মাত্ৰ এবাৰহে কাৰ্যনিৰ্বাহকৰ বিষয়ববাৰ বাবে আৰু অতি বেছি দুবাৰ কাৰ্য নিৰ্বাহৰ সদস্য পদ (শ্ৰেণী প্ৰতিনিধি)ৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব। অৰ্থাৎ এই মহাবিদ্যালয়ৰ পাঁচ বছৰীয়া শিক্ষা কালত এগৰাকী ছাত্ৰ / ছাত্ৰীয়ে সৰ্ব মুঠ দুবাৰ কাৰ্যনিৰ্বাহকলৈ নিৰ্বাচিত হ'ব পাৰিব।

৪) সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদৱীৰ বাবে প্ৰাৰ্থীত্ব বিচৰা ছাত্ৰ / ছাত্ৰী স্নাতক মহলাৰ ১ ম নতুবা ২ য় বৰ্ষৰ হ'ব লাগিব ।

৫) ৪ নং অনুচ্ছেদত উল্লেখ থকা ৪-১২ নং পদৱী সমূহৰ বাবে উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক / স্নাতক মহলাৰ ১ ম তথা ২ য় বাৰ্ষিকৰ ছাত্ৰ -ছাত্ৰীয়ে প্ৰাৰ্থীত্বৰ বাবে আবেদন কৰিব পাৰিব ।



৬) প্ৰাৰ্থী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব ।

৭) প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাত্ৰ / ছাত্ৰী পূৰ্বৰ কোনো অপৰাধ মূলক কাৰ্যত বা দুষ্কাৰ্য্যত লিপ্ত থকাৰ প্ৰমাণ থাকিব নালাগিব। মহাবিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে কোনো কাৰণত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা ছাত্ৰ / ছাত্ৰীয়েও প্ৰাৰ্থীত্ব লাভ কৰিব নোৱাৰিব ।

অনুচ্ছেদ — ৬

নিৰ্বাচন পদ্ধতি ঃ

ক) প্ৰত্যেক শিক্ষা বৰ্ষৰ আৰম্ভণিৰ পৰা ৬ - ৮ সপ্তাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব লাগিব আৰু ১০ দিনৰ ভিতৰত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব।

খ) মহাবিদ্যালয়ৰ অধ্যক্ষই নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে এজন নিৰ্বাচনী বিষয়া আৰু দুজন সহকাৰী নিৰ্বাচনী বিষয়া অধ্যাপক-অধ্যাপিকা সকলৰ মাজৰ পৰা নিয়োগ কৰিব।

গ) নিৰ্বাচনী বিষয়াৰ লগত আলোচনা মৰ্মে মহাবিদ্যালয়ৰ অধ্যক্ষই নিৰ্বাচন পৰিচালনা তথা নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয় কাৰ্যালয়ৰ কৰ্মচাৰীৰ মাজৰ পৰা আৱশ্যকীয় বিষয়ববীয়া নিযুক্তি দি/সংযোজন কৰি এখন পূৰ্ণাংগ নিৰ্বাচনী সমিতি গঠন কৰিব।

ঘ) নিৰ্বাচন অনুষ্ঠিত হ'ব লগা দিনটোৰ পৰা অন্ততঃ ১০ দিন আগতে নিৰ্বাচনৰ দিন, তাৰিখ, সময় আৰু অন্যান্য কাৰ্যসূচী এখন জাননীৰ দ্বাৰা নিৰ্বাচনী বিষয়াই ঘোষণা কৰিব।

ঙ) মনোনয়ন পত্ৰ সমূহ পৰীক্ষণ সমিতিৰ দ্বাৰা পৰীক্ষা কৰাৰ পাছত বৈধ প্ৰাৰ্থী সকলৰ তালিকা নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া দিনটোৰ অন্ততঃ ৫ দিন আগত নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰিব।

অনুচ্ছেদ — ৭

নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময় সীমাৰ বৃদ্ধি ঃ

অনিবাৰ্য্য কাৰণবশতঃ সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰিলে



Scanned with CamSca

কাৰ্যনিৰ্বাহক সমিতিৰ অনুমতি সাপেক্ষে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময়সীমা সৰ্বাধিক ১ মাহলৈ মহাবিদ্যালয়ৰ অধ্যক্ষই বৃদ্ধি কৰিব পাৰিব।

অনুচ্ছেদ — ৮

**নিৰ্বাচনী খৰচ আৰু বিত্তীয় দায়বদ্ধতা ঃ**

(ক) প্ৰতিজন প্ৰাৰ্থীয়ে নিৰ্বাচন সংক্ৰান্তত সৰ্বোচ্চ ৫০০০/-(পাঁচ হেজাৰ) টকা খৰচ কৰিব পাৰিব।

(খ) নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ দুসপ্তাহৰ ভিতৰত প্ৰতিজন প্ৰাৰ্থীয়ে তেওঁৰ নিৰ্বাচন সংক্ৰান্তীয় খৰচৰ আনুষ্ঠানিক হিচাপ নিজ স্বাক্ষৰ সহ মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত দাখিল কৰিব লাগিব।

(গ) বিসংগতিপূৰ্ণ হিচাপ আৰু অতিৰিক্ত খৰচৰ প্ৰমাণ পোৱা গ'লে প্ৰাৰ্থীজনক পদবীৰ পৰা পদচ্যুত কৰিব পৰা যাব।

(ঘ) ছাত্ৰ সংগঠনৰ ইচ্ছামূলক বৰঙণিৰ বাহিৰে আন কোনো ধৰণৰ বৰঙণি বা ৰাজনৈতিক দলৰ অৰ্থ সাহায্য কোনো প্ৰাৰ্থীয়ে গ্ৰহণ কৰিব নোৱাৰিব।

অনুচ্ছেদ — ৯

**নিৰ্বাচনী প্ৰচাৰ আৰু প্ৰাৰ্থীসকলৰ আচৰণ বিধি ঃ**

(ক) কোনো প্ৰাৰ্থীয়ে জাতি-সম্প্ৰদায় আৰু ধৰ্মৰ ভিত্তিত নিৰ্বাচনী প্ৰচাৰ অভিযান চলাব নোৱাৰিব আৰু ভোট বিচাৰিব নোৱাৰিব।

(খ) ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বৈষম্যৰ সৃষ্টি কৰা আৰু তেওঁলোকক বিপথে পৰিচালিত কৰা কামৰ পৰা প্ৰাৰ্থীসকল বিৰত থাকিব লাগিব।

(গ) এজন প্ৰাৰ্থী বা তেওঁৰ সমৰ্থকসকলক কেৱল নীতি, আদৰ্শ আৰু কাৰ্যসূচীৰ ওপৰতহে আনজনে সমালোচনা কৰিব পাৰিব; ব্যক্তিগত জীৱনৰ ওপৰত নহয়।

(ঘ) প্ৰাৰ্থীসকল যিকোনো দুৰ্নীতি আৰু অপৰাধমূলক কাম যেনে ভোটাৰক উপহাৰ দিয়া, ভাবুকি প্ৰদান কৰা আদিৰ পৰা বিৰত থাকিব লাগিব।



(ঙ) মহাবিদ্যালয় চৌহদৰ বাহিৰে কোনো সামাজিক, ধৰ্মীয় স্থান যেনে নামঘৰ, মছজিদ, গীৰ্জা, জাহাজ ঘাট, বজাৰ, ৰাস্তা, দেৱাল, গছ আদি নিৰ্বাচনী প্ৰচাৰৰ বাবে আৰু প্ৰচাৰ পত্ৰিকা আদি লগোৱাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব।

(চ) প্ৰচাৰ অভিযানত ব্যৱহাৰ কৰা প্ৰচাৰ পত্ৰিকা (পোষ্টাৰ, বেনাৰ), আদি সম্পূৰ্ণ হাতেৰে তৈয়াৰী হ'ব লাগিব। ছপা কৰা সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

(ছ) হাতেৰে তৈয়াৰ কৰা প্ৰচাৰ পত্ৰিকা (পোষ্টাৰ, বেনাৰ) সমূহ মহাবিদ্যালয় কৰ্তৃপক্ষই অনুমোদন জনোৱা স্থানতহে লগাব পাৰিব।

(জ) মহাবিদ্যালয় কৰ্তৃপক্ষৰ আগতীয়া লিখিত অনুমতি সাপেক্ষে প্ৰাৰ্থীসকলে মহাবিদ্যালয় চৌহদৰ ভিতৰত নিৰ্বাচনী সভা, সমদল আদিৰ দ্বাৰা প্ৰচাৰ কাৰ্য চলাব পাৰিব। কিন্তু সেই কাৰ্যই শৈক্ষিক কাৰ্যাৱলীত বাধা বা অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰিব।

(ঝ) নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো বাহন, জীৱ-জন্তু, আৰু মাইক ব্যৱহাৰ কৰিব নোৱাৰিব।

(ঞ) মহাবিদ্যালয় কৰ্তৃপক্ষৰ পূৰ্বৰ লিখিত অনুমতি ।সাপেক্ষে মহাবিদ্যালয়ৰ আচবাবপত্ৰ প্ৰচাৰ কাৰ্যত ব্যৱহাৰ কৰিব পাৰিব। কিন্তু সেই সমূহৰ কোনো ক্ষতি সাধন কৰিব নোৱাৰিব। প্ৰচাৰ অভিযানত মহাবিদ্যালয়ৰ আচবাব বা আন সম্পত্তি ক্ষতিগ্ৰস্থ বা ধ্বংস হলে তাৰ বাবে অভিযুক্ত প্ৰাৰ্থী অনুশাসনমূলক ব্যৱস্থাৰ সম্মুখীন হব।

(ট) নিৰ্বাচন অনুষ্ঠিত হ'ব লগা দিনটোৰ ২৪ ঘণ্টা পূৰ্বে সকলো প্ৰচাৰ কাৰ্য বন্ধ হ'ব লাগিব।

অনুচ্ছেদ — ১০

**নিৰ্বাচন অনুষ্ঠিত হোৱা দিনটোত মানিব লগীয়া নিয়মাৱলী ঃ**

**ক) প্ৰাৰ্থীসকলৰ আচৰণ বিধি ঃ**

১. মহাবিদ্যালয়ৰ চৌহদত কোনো প্ৰচাৰ পত্ৰিকাৰ বিতৰণ বা আন



Scanned with CamSca

নির্বাচনী প্ৰচাৰ চলাব নোৱাৰিব।

২. নির্বাচনৰ দায়িত্বত থকা বিষয়ববীয়াসকলৰ লগত প্ৰাৰ্থীসকলে আৰু ছাত্ৰ একতা সভাই সম্পূৰ্ণ সহযোগ কৰিব লাগিব যাতে মুক্ত আৰু শান্তিপূৰ্ণ নিৰ্বাচন সম্পন্ন কৰিব পাৰি।

৩. পানীৰ বাহিৰে আন কোনো খাদ্যবস্তু সেইদিনা প্ৰাৰ্থীসকলৰ ফালৰপৰা ভোটাৰৰ মাজত বিলাব নোৱাৰিব।

৪. মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ বা নিৰ্বাচনী বিষয়াৰ বিনা অনুমতিত প্ৰাৰ্থী বা কোনো ছাত্ৰ-ছাত্ৰী ভোট গ্ৰহণ কক্ষত সোমাব নোৱাৰিব।

**খ) ভোটৰ নিয়মাৱলী ঃ**

১. ভোট গ্ৰহণৰ বাবে বাচি লোৱা কক্ষ/কক্ষসমূহৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্দ্ধত কোনো নিৰ্বাচনী শিবিৰ থাকিব নোৱাৰিব।

২. ভোট গ্ৰহণ কক্ষত প্ৰিজাইডিং বিষয়াকে মুখ্য কৰি নিৰ্বাচনী সমিতিৰ সদস্যসকলৰ উপৰিও প্ৰতিজন প্ৰাৰ্থীয়ে মনোনীত কৰা একোজনকৈ প্ৰতিনিধি উপস্থিত থাকিব। প্ৰতিনিধিসকলৰ নাম প্ৰাৰ্থীসকলে লিখিতভাৱে নিজ স্বাক্ষৰ সহ নিৰ্বাচন অনুষ্ঠিত হোৱা দিনটোৰ পূৰ্বেই নিৰ্বাচনী বিষয়াক জমা দিব লাগিব।

৩. প্ৰত্যেক নিয়মীয়া সদস্যই মহাবিদ্যালয়ৰ পৰিচয়পত্ৰ দাখিলৰ সাপেক্ষে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব।

৪. বেলট কাকতত থকা পছন্দৰ প্ৰাৰ্থীৰ বিপৰীতে নিৰ্বাচনী বিষয়াই যোগান ধৰা আহিলাৰ দ্বাৰাহে ভোট প্ৰদান কৰিব।

(বেলট কাকতত প্ৰাৰ্থীসকলৰ নাম আৰু পদৱী ইংৰাজী বৰ্ণমালাৰ ক্ৰম অনুসৰি লিখা থাকিব।)

৫. নিৰ্বাচনী বিষয়াই পূৰ্বে নিৰ্ধাৰণ কৰি দিয়া ভোটদানৰ সময় সীমা



পাৰ হৈ গ'লে কোনো ছাত্ৰ-ছাত্ৰীক ভোটদানৰ অনুমতি দিয়া নহ'ব।

অনুচ্ছেদ — ১১

**ভোট গণনা আৰু ফলাফল ঘোষণা ঃ**

**ক) ভোট গণনা ঃ**

১. ভোট গ্ৰহণৰ অন্তত এটি সুকীয়া কক্ষত গণনাৰ বাবে নিয়োজিত বিষয়াসকলৰ দ্বাৰা ভোট গণনা কৰা হ'ব। সেই কক্ষত বিষয়াসকলৰ উপৰিও প্ৰাৰ্থী আৰু তেওঁলোকে লিখিতভাৱে, পূৰ্বে মনোনীত কৰা একোজনকৈ প্ৰতিনিধি উপস্থিত থাকিব।

২. অবৈধ বা নাকচ হোৱা ভোট সমূহ বাদ দি বৈধ ভোট সমূহ গণনা কৰি সেইদিনাই ফলাফল ঘোষণা কৰা হ'ব।

৩. বিশেষ পৰিস্থিতি সাপেক্ষে ভোট গণনা নিৰ্বাচনৰ পাছৰ দিনা অনুষ্ঠিত কৰিব পাৰিব।

**খ) ভোট নাকচৰ কাৰণ ঃ**

১. যদি বেলট কাকতত প্ৰিজাইডিং বিষয়াৰ চহী নাথাকে।

২. যদি বেলট কাকতত ক্ৰমিক নম্বৰ নাথাকে।

৩. যদি নিৰ্ধাৰিত চিহ্নৰ বাহিৰে বেলট কাকতত বেলেগ কিবা চিহ্ন ব্যৱহাৰ কৰা দেখা যায়।

৪. যদি বেলট কাকতত থকা নিৰ্ধাৰিত চিহ্নই দুজন প্ৰাৰ্থীৰ নামৰ মাজৰ ৰেখা স্পৰ্শ কৰে।

৫. যদি একে পদৱীৰ বিপৰীতে একাধিক ভোটৰ চিহ্ন থাকে।

৬. যদি বেলট কাকতখন ফলা থাকে বা তাত যি কোনো কথা লিখা থাকে।

অনুচ্ছেদ — ১২

**সামূহিক দায়বদ্ধতা ঃ**



Scanned with CamSca

(ক) নির্বাচন শেষ হোৱাৰ ৪৮ ঘণ্টাৰ ভিতৰত নির্বাচনী ক্ষেত্র তথা নির্বাচনী শিবিৰৰ ক্ষেত্র পৰিষ্কাৰ কৰাৰ বাবে প্রার্থীসকল সমূহীয়াভাৱে দায়বদ্ধ থাকিব।

(খ) মহাবিদ্যালয়ৰ আচবাব-পত্র আৰু আন সম্পত্তিৰ সেই সময়ছোৱাত হোৱা ক্ষয়-ক্ষতিৰ বাবেও সকলো প্রার্থী সমূহীয়াকৈ দায়বদ্ধ থাকিব।

অনুচ্ছেদ — ১৩

**অনুশাসন মূলক ব্যৱস্থা ঃ**

নির্বাচনৰ কালছোঁৱাত কোনো প্রার্থী বা তেওঁৰ সমর্থক সকলৰ দ্বাৰা কোনো নির্বাচনী অপৰাধ সংঘটিত হ'লে আৰু উপৰোক্ত ৮, ৯, ১০ নং অনুচ্ছেদত উল্লেখিত আচৰণ বিধি ভঙ্গ হ'লে—

(ক) প্রার্থীৰ প্রার্থীত্ব নাকচ কৰিব পৰা যাব।

(খ) জয়যুক্ত হোৱাৰ পাছতো পদৱীৰ পৰা পদচ্যুত কৰিব পৰা যাব।

(গ) মহাবিদ্যালয় কর্তৃপক্ষই আন অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰিব পাৰিব।

(ঘ) প্রয়োজন সাপেক্ষে মহাবিদ্যালয় কর্তৃপক্ষই ভাৰতীয় দণ্ডবিধি আইন, ১৮৬০-ৰ ধাৰা নং ১৫৩ 'ক' আৰু নৱম অধ্যায় 'ক'ৰ "নির্বাচন সংক্রান্ত অপৰাধ" ছাত্র একতা সভাৰ নির্বাচনৰ ক্ষেত্রতো প্রযোজ্য কৰিব পাৰিব।

অনুচ্ছেদ — ১৪

**পর্যবেক্ষক নিয়োগ ঃ**

নির্বাচনী বিষয়াই সমগ্র নির্বাচন প্রক্রিয়া আদিৰ পৰা অন্তলৈ সকলো পর্যায়ৰ কাম কাজ পর্যবেক্ষণ কৰিবৰ বাবে এজন বা ততোধিক নিৰপেক্ষ পর্যবেক্ষক নিয়োগ কৰিব। এই সময়ছোৱাত ছাত্র-ছাত্রী বা প্রার্থীসকলৰ নজৰলৈ অহা নির্বাচনী বিসঙ্গতি পর্যবেক্ষকক লিখিতভাবে জনাব পাৰিব। নির্বাচনৰ অন্তত পর্যবেক্ষকজনে/ সকলে নিজৰ পর্যবেক্ষণ অভিমত আৰু বিসঙ্গতি সহ সমগ্র প্রক্রিয়াটোৰ ওপৰত এক লিখিত প্রতিবেদন নির্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব।



অনুচ্ছেদ — ১৫

**অভিযোগ বিমোচন ব্যৱস্থা ঃ**

(ক) প্রতি শিক্ষাবর্ষৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষই উপাধ্যক্ষক সভাপতি হিচাবে লৈ দুজন জ্যেষ্ঠ অধ্যাপক/অধ্যাপিকা, মহাবিদ্যালয় কার্যালয়ৰ ১ জন জ্যেষ্ঠ কর্মচাৰী আৰু স্নাতক চূড়ান্ত বর্ষৰ ১ জন ছাত্র আৰু ১ জনী ছাত্রী-ক লৈ এটা "অভিযোগ বিমোচন নিকায়" (Grievance Redressal Cell) গঠন কৰিব। মহাবিদ্যালয়ৰ নিয়মীয়া গোট হিচাবে থকা এই নিকায়ে ছাত্র-ছাত্রী সকলৰ সকলো ধৰণৰ অভিযোগ বিমোচন আৰু গোচৰৰ মীমাংসাৰ বাবে ন্যায়ালয়ৰ দৰে কাম কৰিব।

(খ) অন্যান্য অভিযোগৰ লগতে নির্বাচনী অভিযোগ/বিবাদৰ মীমাংসা, নির্বাচনী আচৰণ বিধি ভঙ্গৰ বাবে শাস্তি প্রদান আদি এই নিকায়ৰ মৌলিক অধিকাৰ ক্ষেত্রৰ ভিতৰত থাকিব।

(গ) কর্তব্য পালনৰ বাবে এই নিকায়ে ছাত্র-ছাত্রী/প্রার্থী, প্রতিনিধি, নির্বাচন কর্মীক নির্দেশনা জাৰি কৰিব পাৰিব, সাক্ষ্য গ্রহণৰ বাবে মাতিব পাৰিব, আৱশ্যকীয় নথিপত্র জমা দিয়াৰ নির্দেশনা দিয়াৰ লগতে সিদ্ধান্ত শুনাব পাৰিব।

(ঘ) নিকায়ৰ শুনানী বা সিদ্ধান্ত সম্পর্কত সৃষ্টি হোৱা অসন্তুষ্টি বা মতানৈক্যৰ ক্ষেত্রত মহাবিদ্যালয়ৰ অধ্যক্ষৰ আপীল বিচাৰৰ ক্ষমতা থাকিব। অধ্যক্ষই পুনৰীক্ষণৰ পাছত স্ব-বিচাৰাধীন ক্ষমতা প্রয়োগ কৰি নিকায়ৰ সিদ্ধান্তৰ পৰিবর্তন কৰিব পাৰিব বা বাতিল কৰিবও পাৰিব।

(ঙ) নির্বাচনী গোচৰৰ ক্ষেত্রত ফলাফল ঘোষণাৰ তিনি সপ্তাহৰ ভিতৰত ছাত্র/ছাত্রীয়ে অভিযোগ দাখিল কৰিব লাগিব। অভিযোগকাৰী নিকায়ৰ সদস্য হ'ব নোৱাৰিব। লিখিত অভিযোগত ছাত্র/ছাত্রীৰ নাম



Scanned with CamSca

ঠিকনা স্পষ্টকৈ উল্লেখ থাকিব লাগিব।

(চ) অভিযোগ প্ৰাপ্তিৰ ২৪ ঘণ্টাৰ ভিতৰত নিকায়ে হয় অভিযোগ নাকচ কৰিব নহয় অভিযোগকাৰীক সাক্ষাৎ গ্ৰহণৰ বাবে মাতি বিচাৰ ব্যৱস্থা আৰম্ভ কৰিব।

**অনুচ্ছেদ — ১৬**

**কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ আৰু দায়িত্ব ভাৰ গ্ৰহণ ঃ**

ক) নিৰ্বাচন হৈ যোৱাৰ ১৫ দিনৰ ভিতৰত পুৰণা সমিতিয়ে নতুন সমিতিক কাৰ্যভাৰ অৰ্পণ কৰিব লাগিব। নতুন কাৰ্যনিৰ্বাহকৰ সদস্যসকলে মহাবিদ্যালয়ৰ অধ্যক্ষৰ উদ্যোগত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত শপত গ্ৰহণ কৰিব। মহাবিদ্যালয়ৰ অধ্যক্ষই তেওঁলোকক তলত দিয়া শপত বাক্য পাঠ কৰাব ঃ

**"মই শ্ৰী .......................................................................................**
**এ শপত গ্ৰহণ কৰোঁ যে মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানৰ পবিত্ৰতা আৰু মৰ্যাদা অক্ষুণ্ণ ৰাখিম। এই সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণাৰ্থে মোৰ ওপৰত ন্যস্ত দায়িত্ব সমূহ নিষ্ঠা আৰু সততাৰে পালন কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হ'লো।"**

(খ) আনুষ্ঠানিক শপত গ্ৰহণ অনুষ্ঠানত বিদায়ী কাৰ্যনিৰ্বাহকৰ হৈ সভাপতিয়ে কাৰ্যনিৰ্বাহক সমিতি ভঙ্গ বুলি ঘোষণা কৰিব আৰু নতুন কাৰ্যনিৰ্বাহক সমিতিক নথি-পত্ৰ সহ দায়িত্বভাৰ অৰ্পণ কৰিব।

**অনুচ্ছেদ — ১৭**

**পদাধিকাৰীৰ দায়িত্ব, অধিকাৰ আৰু কৰ্তব্য ঃ**

**সভাপতি ঃ**

১) উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত সকলো অনুষ্ঠান, সভা-সমিতি আদিত সভাপতিয়ে সভাপতিত্ব কৰিব। সভাত কোনো সিদ্ধান্ত গ্ৰহণৰ সময়ত সপক্ষে আৰু বিপক্ষে সমান



সংখ্যক ভোট থাকিলে সভাপতিয়ে নিৰ্ণায়ক ভোট প্ৰদান কৰি সিদ্ধান্ত গ্ৰহণযোগ্য কৰি তুলিব।

২) সভাপতিৰ পূৰ্ব অনুমতি সাপেক্ষেহে সাধাৰণ সম্পাদকে যিকোনো সভা আহ্বান কৰিব পাৰিব।

**উপ-সভাপতি ঃ**

১) সভাপতিৰ অনুপস্থিতিত তেওঁ কাৰ্যকৰী আৰু সাধাৰণ সভাত সভাপতিৰ দায়িত্ব পালন কৰিব। কোনো কাৰণত কাৰ্যনিৰ্বাহ কৰিবলৈ সভাপতিজন অপাৰগ হ'লে সেই দায়িত্ব উপ-সভাপতিয়ে গ্ৰহণ কৰিব।

২) মহাবিদ্যালয়ৰ সকলো অনুষ্ঠান আৰু ছাত্ৰ একতা সভাৰ কাম-কাজত উপ-সভাপতিয়ে সাধাৰণ সম্পাদকক সহায় কৰিব।

**সাধাৰণ সম্পাদক ঃ**

১) ছাত্ৰ একতা সভাৰ সকলোবোৰ তথ্য-পাতি, কাৰ্য-বিৱৰণী আৰু সম্পত্তিৰ সংৰক্ষণৰ দায়িত্ব সাধাৰণ সম্পাদকৰ।

২) তেওঁ সভাপতিৰ অনুমতি সাপেক্ষে কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভা আহ্বান কৰিব পাৰিব।

৩) জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত কাৰ্যনিৰ্বাহক অথবা সাধাৰণ জৰুৰী সভা আহ্বান কৰিব পাৰিব।

৪) কাৰ্যনিৰ্বাহক/সাধাৰণ সভাত সম্পাদকে পূৰ্বৰ বৈঠকৰ কাৰ্য বিৱৰণী দাখিল কৰিব।

৫) প্ৰত্যেক বিভাগৰ কাম সমূহৰ মাজত সমন্বয় ৰক্ষা কৰিব আৰু সকলো বিভাগীয় সম্পাদকে যাতে তেওঁলোকৰ কামসমূহ সংবিধান অনুসৰি সুচাৰুৰূপে পালন কৰে তাৰ বাবে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়াব।



Scanned with CamSca

৬) বিভাগীয় সম্পাদকসকলে যাতে সকলো ধৰণৰ হিচাপ-পত্ৰ আদি ৰেজিষ্টাৰ বহীৰ জৰিয়তে সংৰক্ষণ কৰে তাৰ প্ৰতি চকু দিব।

**সহ-সাধাৰণ সম্পাদক ঃ**

১) সহ-সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকক বিভিন্ন দায়িত্ব পালনত সহায় কৰিব।

২) সাধাৰণ সম্পাদকৰ অনুপস্থিতিত অথবা অপাৰগ অৱস্থাত তেওঁ সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰিব।

**বহিঃ খেল বিভাগ আৰু আন্তঃ খেল বিভাগৰ সম্পাদক ঃ**

১) এই দুজন সম্পাদকে মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব লগীয়া বহিঃ আৰু আন্তঃ খেল সমূহ মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু কাৰ্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে আয়োজন কৰিব।

২) মহাবিদ্যালয়ৰ বাহিৰত যোগদান কৰিবলগীয়া খেল প্ৰতিযোগিতা সমূহত তেওঁ নিজ বিভাগৰ উদ্যোগ ল'ব। এই ক্ষেত্ৰত তত্বাবধায়কৰো পৰামৰ্শ গ্ৰহণ কৰিব।

**সাংস্কৃতিক বিভাগৰ সম্পাদক ঃ**

১) এই বিভাগৰ সম্পাদকে মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সকলো সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰতিযোগিতা সমূহত ছাত্ৰ/ছাত্ৰী সকলৰ যোগদানৰ ক্ষেত্ৰত উদ্যোগ ল'ব।

**সমাজ সেৱা বিভাগৰ সম্পাদক ঃ**

১) এই সম্পাদকৰ প্ৰধান কাম হ'ব সমাজ সেৱাৰ লগত জড়িত সকলো কাম পৰিচালনা কৰা। মহাবিদ্যালয়ৰ আশে-পাশে থকা গ্ৰামাঞ্চল সমূহৰ বাবে সমাজসেৱামুলক আঁচনি এই বিভাগৰ পৰা গ্ৰহণ কৰিব।

২) ছাত্ৰ একতা সভাৰ সকলো কাৰ্যসূচীত আন আন বিভাগৰ সম্পাদক সকলক সহায়-সহযোগ কৰিব।



**ছাত্ৰ/ছাত্ৰী জিৰণী কোঠাৰ সম্পাদক / সম্পাদিকা ঃ**

১) এই বিভাগ দুটাৰ সম্পাদক/সম্পাদিকা দুগৰাকীয়ে জিৰণী কোঠা, ইয়াৰ সংলগ্ন প্ৰস্ৰাৱগাৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত চকু দিব।

২) জিৰণী কোঠাত খোৱা পানী, বিজুলীবাতিৰ সংযোগ আদিৰ সুব্যৱস্থাকে আদি কৰি সকলো সুবিধা-অসুবিধাৰ ওপৰত চকু দিব।

৩) জিৰণী কোঠাত বাতৰি কাকত, আলোচনী আদিৰ যোগানৰ ব্যৱস্থা কৰিব।

৪) এই কোঠাত আচবাব পত্ৰ, খেলাৰ সামগ্ৰী আদিৰ সুব্যৱস্থা কৰা আৰু সেই সমূহৰ তদাৰক কৰাৰ দায়িত্ব সম্পাদক দুগৰাকীয়ে বহন কৰিব।

**সাহিত্য বিভাগৰ সম্পাদক ঃ**

১) এই বিভাগৰ সম্পাদকৰ মূল কাম হ'ব উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী **'নগ'চিয়ান'** নিয়মীয়াভাৱে প্ৰকাশ কৰা। আলোচনী সম্পাদনাৰ বাবে তলত উল্লেখ কৰা ধৰণে এখন সম্পাদনা সমিতি গঠনৰ বাবে সম্পাদকে ব্যৱস্থা কৰিব—

| | | |
|---|---|---|
| মহাবিদ্যালয়ৰ অধ্যক্ষ | ঃ | সভাপতি |
| বিভাগীয় তত্বাবধায়ক | ঃ | উপসভাপতি |
| সাহিত্য বিভাগৰ সম্পাদক | ঃ | সম্পাদক |
| দুজন অধ্যাপক/অধ্যাপিকা | ঃ | সদস্য |
| সাধাৰণ সম্পাদক | ঃ | সদস্য |
| কাৰ্যনিৰ্বাহকৰ দ্বাৰা মনোনীত এজন প্ৰতিনিধি | ঃ | সদস্য |

২) সম্পাদকে আলোচনীৰ বাবে আৱশ্যকীয় লিখনি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ বাহিৰৰ ব্যক্তিৰ পৰা সংগ্ৰহ কৰি সম্পাদনা সমিতিৰ বিবেচনাৰ বাবে দাখিল কৰিব লাগিব।

৩) আলোচনীখন প্ৰকাশৰ বাবে আৱশ্যকীয় পুঁজিৰ খচৰা বিভাগীয় উপদেষ্টা/তত্বাবধায়কৰ অনুমতি সাপেক্ষে অনুমোদনৰ বাবে মহা-বিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত দাখিল কৰিব।



Scanned with CamSca

৪) সাহিত্য, কলা বা বিজ্ঞান বিষয়ৰ বিদ্যায়তনিক সভা সমিতি, প্ৰদৰ্শনী আৰু আলোচনা চক্ৰৰ আয়োজন কৰিব।

**তৰ্ক বিভাগৰ সম্পাদক ঃ**

১) মহাবিদ্যালয়ত মাজে-সময়ে তৰ্ক প্ৰতিযোগিতা, আকস্মিক-বক্তৃতা প্ৰতিযোগিতা, আবৃত্তি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিব।

২) বিতৰ্কমূলক বিষয় সম্পৰ্কত ভাষণ/ আলোচনা, ব্যঙ্গ সদন আদি অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিব।

৩) মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত হোৱা তৰ্ক, আকস্মিক বক্তৃতা, আবৃত্তি, কুইজ আদি প্ৰতিযোগিতা সমূহত ছাত্ৰ/ছাত্ৰীৰ যোগদানৰ ক্ষেত্ৰত বিভাগীয় সম্পাদকজনে উদ্যোগ ল'ব।

**শ্ৰেণী প্ৰতিনিধি ঃ**

১) শ্ৰেণী প্ৰতিনিধি গৰাকীয়ে তেওঁৰ শ্ৰেণীৰ ছাত্ৰ/ছাত্ৰীসকলৰ মতামতৰ প্ৰতিনিধিত্ব কৰিব।

২) তেওঁলোকৰ অভাৱ-অভিযোগ, সুবিধা-অসুবিধাৰ বুজ লৈ কাৰ্য নিৰ্বাহকৰ সভাত সেই সমূহ উত্থাপন কৰিব।

৩) কাৰ্যনিৰ্বাহকৰ প্ৰতিখন সভাত উপস্থিত থাকি সিদ্ধান্ত সমূহৰ বিষয়ে নিজৰ শ্ৰেণীটোক জ্ঞাত কৰিব লাগিব।

**পদেন সদস্য ঃ**

কাৰ্যকাল সম্পন্ন কৰা আগৰ কাৰ্যনিৰ্বাহক সমিতিখনৰ সাধাৰণ সম্পাদক বৰ্তমানৰ কাৰ্যনিৰ্বাহকত পদেন সদস্য ৰূপে থাকিব। তেওঁৰ কাৰ্যকালৰ অভিজ্ঞতাৰে নতুন কাৰ্যনিৰ্বাহক সমিতিক সহায় কৰিব। অৱশ্যে কাৰ্যনিৰ্বাহকৰ সভাত তেওঁৰ ভোটদানৰ অধিকাৰ নাথাকে।

**তত্বাৱধায়ক / তত্বাৱধায়িকা মণ্ডলী ঃ**

১) প্ৰত্যেকজন তত্বাৱধায়কৰ নিজৰ বিভাগত সম্পূৰ্ণ কৰ্তৃত্ব থাকিব।



সম্পাদক / সম্পাদিকসকলে তত্বাৱধায়কজনৰ নিৰ্দেশ আৰু পৰামৰ্শ অনুসৰি কাৰ্য সম্পন্ন কৰিব।

২) বিভাগীয় সম্পাদকজনে কৰিবলগীয়া সকলো ধৰণৰ খৰচৰ ক্ষেত্ৰত তত্বাৱধায়ক গৰাকীৰ অনুমোদন লাগিব।

৩) ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকৰ সভাত তত্বাৱধায়ক মণ্ডলীৰ উপস্থিতি বাঞ্চনীয়। উক্ত সভা সমূহত তেখেত সকলে বিশেষভাৱে নিমন্ত্ৰিত ব্যক্তিৰ মৰ্যাদা পাব। অৱশ্যে তেখেতসকলৰ কোনো বিষয়তে ভোটদানৰ ক্ষমতা নাথাকিব।

৪) বিভাগীয় সম্পাদক সকলে প্ৰস্তুত কৰা বাজেট, জমা-খৰচৰ হিচাপ আৰু কাৰ্য্যাৱলী সমূহৰ লিখিত খতিয়ান তত্বাৱধায়ক/তত্বাৱধায়িকা সকলৰ দ্বাৰা অনুমোদিত হ'ব লাগিব ।

**অনুচ্ছেদ —১৮**

**কাৰ্যনিৰ্বাহক সভাৰ কাৰ্যাৱলী ঃ**

(ক) সংবিধানৰ পৰিসৰৰ ভিতৰত সম্পন্ন কৰিব লগীয়া কাৰ্যাৱলী আৰু পদ্ধতি নিৰ্দ্ধাৰণ কৰি আঁচনি যুগুত কৰিব।

(খ) বাৰ্ষিক বাজেট প্ৰস্তুত কৰিব।

(গ) বিভাগীয় সম্পাদকসকলৰ মাজত কোনো বিষয় লৈ মতানৈক্য হ'লে সেই সম্পৰ্কত কাৰ্যনিৰ্বাহকে সিদ্ধান্ত দিব।

(ঘ) কোনো কাৰ্যনিৰ্বাহক সদস্যই যদি বিনা কাৰণত একেৰাহে তিনিখন সভাত অনুপস্থিত থাকে, তেওঁৰ পদৱীৰ কাৰ্যভাৰ সম্পৰ্কে আলোচনা কৰি সমিতিয়ে ব্যৱস্থা ল'ব পাৰিব।

(ঙ) কাৰ্যনিৰ্বাহকৰ নিৰ্বাচন হৈ যোৱাৰ পাছত কোনো সদস্য পদ খালী হৈ থাকিলে তেনে পদ আৱশ্যক হলে ছাত্ৰ একতা সভাৰ মাজৰপৰা বাছনি কৰি পূৰাব পাৰিব।



Scanned with CamSca

**অনুচ্ছেদ —১৯**

**কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকাল ঃ**

(ক) উক্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকৰ কাৰ্যকাল ১ বছৰ। বিশেষ পৰিস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্যনিৰ্বাহক সমিতিৰ লগত আলোচনা মৰ্মে ইয়াৰ কাৰ্যকাল ১ মাহৰ বাবে বৃদ্ধি কৰিব পাৰে।

(খ) কাৰ্যনিৰ্বাহক সমিতি সাংবিধানিক অচল অৱস্থাৰ সৃষ্টি হ'লে মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ পূৰ্বেই ইয়াক ভঙ্গ কৰি সাময়িকভাৱে নতুন তদৰ্থ কমিটি গঠন কৰিব পাৰিব।

**অনুচ্ছেদ —২০**

**তদৰ্থ সমিতি ঃ**

কোনো কাৰণত কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ পূৰ্বে কাৰ্যনিৰ্বাহক সমিতি ভঙ্গ হ'লে বা নিৰ্দিষ্ট সময়ত নিৰ্বাচন অনুষ্ঠিত কৰিব নোৱাৰিলে মহাবিদ্যালয়ৰ অধ্যক্ষই মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীক লৈ সাময়িকভাৱে এখন তদৰ্থ সমিতি গঠন কৰিব পাৰিব। এই সমিতিয়ে পৰৱৰ্তী কাৰ্যনিৰ্বাহক গঠন নোহোৱা পৰ্যন্ত ছাত্ৰ একতা সভাৰ কাৰ্য ক্ৰমণিকা চলাই যাব।

**অনুচ্ছেদ —২১**

**কাৰ্যনিৰ্বাহক সমিতিৰ সভা ঃ**

(ক) বছৰত অন্ততঃ এখন সাধাৰণ সভা অনুষ্ঠিত হ'ব লাগিব।

(খ) বছৰত কমেও ৪ খন কাৰ্যনিৰ্বাহক সমিতিৰ সভা বহিব লাগিব।

(গ) সাধাৰণ সভাৰ বাবে ৫ দিনৰ আগতে মহাবিদ্যালয়ৰ Notice board ত জাননী দিব লাগিব। কাৰ্যনিৰ্বাহক সভাৰ বাবে জাননী জাৰি কৰিব লাগিব ৭২ ঘণ্টাৰ আগতে।

(ঘ) সভাপতিৰ অনুমোদন ক্ৰমে সম্পাদকে কমেও ২৪ ঘণ্টাৰ আগতে জাননী দি জৰুৰী সাধাৰণ সভা আহ্বান কৰিব পাৰিব।



(ঙ) জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবলৈ কমেও ৩ ঘণ্টাৰ আগতে জাননী দিব লাগিব।

(চ) সভাপতিৰ পূৰ্ব অনুমতি সাপেক্ষে সাধাৰণ সম্পাদকৰ দ্বাৰা স্বাক্ষৰিত লিখিত জাননীৰ যোগেদিহে যিকোনো সভা আহ্বান কৰিব পাৰিব।

(ছ) ক'ৰাম বা থূল ঃ

১) ছাত্ৰ একতা সভাৰ কোনো সাধাৰণ সভা অনুষ্ঠিত হ'বলৈ হ'লে মুঠ সদস্যৰ এক চতুৰ্থাংশ (১/৪) সদস্য উপস্থিত থাকিব লাগিব। জৰুৰী সাধাৰণ সভাৰ ক্ষেত্ৰতো এনে ক'ৰামৰ প্ৰয়োজন হ'ব।

২) ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'বলৈ কমেও নজন (৯ জন) সদস্যৰ উপস্থিতিৰ প্ৰয়োজন। (তত্বাবধায়ক সকলক বাদ দি) জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবৰ বাবেও একে ক'ৰামৰ প্ৰয়োজন হ'ব।

**অনুচ্ছেদ —২২**

**দাবী সভা ঃ**

(ক) কোনো বিশেষ পৰিস্থিতিত কাৰ্যনিৰ্বাহক সভাৰ আৱশ্যকতা অনুভব কৰিলে, কাৰ্যনিৰ্বাহকৰ মুঠ সদস্যৰ ১/৩ অংশ সদস্যৰ স্বাক্ষৰত সভাপতি/উপসভাপতিৰ ওচৰত সভা পতাৰ বাবে লিখিত দাবী উত্থাপিত হ'লে সভাপতি/উপসভাপতিয়ে সহকাৰী সাধাৰণ সম্পাদকক সভা আহ্বান কৰাৰ বাবে নিৰ্দেশ দিব পাৰে বা নিজেই এনে সভা আহ্বান কৰিব পাৰে।

(খ) ছাত্ৰ একতা সভাৰ মুঠ সদস্যৰ ১/১০ অংশৰ দাবীত সভাপতি/উপসভাপতি / সাধাৰণ সম্পাদক / সহকাৰী সাধাৰণ সম্পাদকে সাধাৰণ অথবা জৰুৰী সাধাৰণ সভা আহ্বান কৰিব পাৰে।



Scanned with CamSca

অনুচ্ছেদ —২৩

**সিদ্ধান্ত গ্ৰহণ**

ছাত্ৰ একতা সভাৰ সাধাৰণ বা কাৰ্যনিৰ্বাহকৰ নিয়মীয়া বা জৰুৰী সভাৰ সকলোতে সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে অৰ্থাৎ উপস্থিত সদস্যৰ আধাতকৈ বেছি সমৰ্থনত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

অনুচ্ছেদ — ২৪

**বিত্ত ঃ**

(ক) সাধাৰণ সম্পাদকে কাৰ্যকালৰ আৰম্ভণিতে আন আন বিভাগীৰ সম্পাদক সকলৰ লগত আলোচনা কৰি বছৰেকীয়া বাজেট প্ৰস্তুত কৰি কাৰ্যনিৰ্বাহক সমিতিৰ সভাত গৃহীত কৰাৰ পাছত অনুমোদনৰ বাবে অধ্যক্ষৰ ওচৰত দাখিল কৰিব।

(খ) কাৰ্যকালৰ ভিতৰতে সকলো বিভাগৰ বাবে পোৱা টকাৰ খৰচৰ খতিয়ান যুগুতাই কাৰ্যনিৰ্বাহকত অনুমোদিত কৰাই মহাবিদ্যালয়ৰ অধ্যক্ষক জমা দিব।

(গ) টকা-পইচাৰ লেন-দেন কৰা সকলো কাৰ্যনিৰ্বাহক সদস্যই খৰচৰ হিচাপ সম্পূৰ্ণ কৰি তাৰ সবিশেষ লিপিবদ্ধ অৱস্থাত কাৰ্যনিৰ্বাহকৰ দ্বাৰা অনুমোদিত কৰাই অধ্যক্ষক জমা দিব লাগিব।

(ঘ) কোনো বিশেষ পৰিস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষই প্ৰয়োজন বোধ কৰিলে কোনোবা সদস্যক হিচাপ জমা দিয়াৰ সময়সীমা বঢ়াই দিব পাৰে।

অনুচ্ছেদ —২৫

**সাধাৰণ সদস্যৰ ক্ষমতা বা অধিকাৰ ঃ**

(ক) কাৰ্যনিৰ্বাহকৰ কাৰ্যপন্থাত বা কোনো কাৰ্যনিৰ্বাহক সদস্যৰ আচৰণত অসন্তুষ্ট হ'লে উপযুক্ত কাৰণৰে সৈতে লিখিত অভিযোগ যি



কোনো সাধাৰণ সদস্যই "অভিযোগ বিমোচন নিকায়"ৰ ওচৰত দাখিল কৰিব পাৰিব।

(খ) উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ যি কোনো সাধাৰণ সদস্যৰ বিৰুদ্ধেও একে পন্থাৰে "অভিযোগ বিমোচন নিকায়"ত অভিযোগ দাখিল কৰাৰ অধিকাৰ প্ৰতিজন সাধাৰণ সদস্যই উপভোগ কৰিব পাৰিব।

(গ) মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিবেচনা কৰা কোনো বিষয় কাৰ্যনিৰ্বাহক সমিতিৰ যোগেদি মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিব পাৰিব।

অনুচ্ছেদ —২৬

**সংবিধান সংশোধন ঃ**

(ক) প্ৰয়োজন অনুসৰি সংবিধানৰ যিকোনো অনুচ্ছেদ সংশোধন কৰিব পাৰিব। এই ক্ষেত্ৰত সংশোধনী প্ৰস্তাৱ প্ৰথমে কাৰ্যনিৰ্বাহক সমিতিয়ে সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনত গ্ৰহণ কৰিব লাগিব। তাৰ পাছত ইয়াক সাধাৰণ সভাত উত্থাপন কৰি উপস্থিত সদস্যৰ আধাতকৈ বেচিৰ সমৰ্থনত গৃহীত কৰিব লাগিব।

(খ) বিভিন্ন সময়ত শিক্ষা বিভাগৰ পৰা দিয়া বিশেষ নিৰ্দেশনা বা ন্যায়িক নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত সংবিধানৰ কোনো অনুচ্ছেদৰ সাল-সলনিৰ বা নতুন অনুচ্ছেদৰ সংযোজনৰ প্ৰয়োজন আহি পৰিলে সংবিধানৰ সংশোধন কৰিব পৰা যাব। এনে ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ উদ্যোগত অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকৰ প্ৰতিনিধিক লৈ এখন সংবিধান সংশোধনী সমিতি গঠন কৰিবপাৰিব যিয়ে নেকি নিৰ্দেশনা সমূহ স্পষ্টভাৱে প্ৰতিফলিত হোৱাকৈ সংশোধনী প্ৰস্তাৱ প্ৰস্তুত কৰিব। ইয়াৰ পাছত এই সংশোধনী প্ৰস্তাৱ নিয়মীয়া প্ৰক্ৰিয়াৰে অৰ্থাৎ অনুচ্ছেদ ২৬'ক'ত উল্লেখ থকা প্ৰক্ৰিয়াৰে গৃহীত কৰি সংবিধান সংশোধন কৰিব পাৰিব।



Scanned with CamSca